**Workshop on Mathematics in Daily Life** **DainikAgradoot, 29th April, 2023, p.9**

# ‘দৈনন্দিন জীৱনত মৌলিক গণিতৰ ব্যৱহাৰ’ শীৰ্যক কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৮ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ আমজোঙাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ গণিত বিভাগৰ উদ্যোগত অনুষ্ঠিত ‘দৈনন্দিন জীৱনত মৌলিক গণিতৰ ব্যৱহাৰ’ বিষয় শীৰ্যক ৩০ ঘন্টীয়া কৰ্মশালাখনৰ আজি সামৰণি পৰে। এই উপলক্ষে মহাবিদ্যালয়খনৰ সভাকক্ষত কালি আয়োজিত সামৰণি অনুষ্ঠানত আঁত ধৰে মহাবিদ্যালয়খনৰ গণিত বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰণৱ জ্যোতি দুৱৰীয়ে। গণিত বিভাগৰ মুৰব্বী অধ্যাপক ড° ছহিদুল ইছলাম খানে উদ্দেশ্য ব্যাখ্যা কৰা সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি অধ্যক্ষ ড° নৰজ্যোতি শৰ্মাই কৰ্মশালাত অংশগ্ৰহণ কৰা বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণপত্ৰ বিতৰণ কৰে। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° হৰিপ্ৰসাদ গৌতম আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° সুদীপ্তা ফুকনৰ লগতে বিভিন্ন বিভাগৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকা সামৰণি অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় সহকাৰী অধ্যাপক ৰাজেশ দাসে। উল্লেখ্য যে যোৱা পাঁচ এপ্ৰিলত কৰ্মশালাখনৰ আৰম্ভ হৈছিল বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰজ্যোতি শৰ্মাই এক বিবৃতিযোগে জানিবলৈ দিয়ে।